# ০.০০ অৱতৰণিকা

**০.১ বিষয়ৰ পৰিচয় ঃ**

অসম বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ বসতিস্থল। অসমত প্ৰধানকৈ চাৰিটা ভাষা পৰিয়ালৰ লোকে বসবাস কৰে। সেইকেইটা হ'ল - ইণ্ডো-ইউৰোপীয়, চীন-তিব্বতীয়, অষ্ট্ৰিক আৰু দ্ৰাৱিড়। ইয়াৰে চীন-তিব্বতীয় ভাষা পৰিয়ালৰ বহু সংখ্যক লোকে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰে। চীন-তিব্বতীয় ভাষা পৰিয়ালটোক দুটা প্ৰধান শাখাত ভাগ কৰা হৈছে - তিব্বত-বৰ্মী আৰু থাই-চীন বা শ্যাম-চীন শাখা। অসমত তিব্বত-বৰ্মী শাখাৰ বড়ো, কাৰ্বি, ৰাভা, মিচিং, দেউৰী, তিৱা আদি ভাষাসমূহ পোৱা যায়। আনহাতে থাই-চীন বা শ্যাম চীন শাখাৰ ছটা ভাষা কোৱা লোক অসমত পোৱা যায়। সেইকেইটা হ'ল - আহোম, খামতি, ফাকে, খাময়াং, টুৰুং আৰু আইতন বা আইতনীয়াসকল। ইয়াৰে আইতন ভাষা কোৱা লোকসকলে গোলাঘাট আৰু কাৰ্বিআংলং জিলাৰ কেইখনমান গাঁৱত বসবাস কৰে। অসমত বসবাস কৰা আইতনসকল মঙ্গোলীয় প্ৰজাতিৰলোক।

আইতনসকলৰ স্বকীয় ভাষা আৰু সংস্কৃতিয়ে তেওঁলোকৰ পৰিচয় দাঙি ধৰে। আইতনসকলৰ মাজত প্ৰচলিত ভাষাই তেওঁলোকৰ সামাজিক-সাংস্কৃতিক মূল্যবোধ আৰু পৰম্পৰাক স্বতন্ত্ৰ ৰূপত ধৰি ৰাখিছে। অৱশ্যে বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত হোৱা সাংস্কৃতিক আদান-প্ৰদান আৰু বিজ্ঞান প্ৰযুক্তিৰ ন-ন বিকাশৰ ফলস্বৰূপে আইতনসকলৰ সমাজ জীৱনলৈও নানা পৰিৱৰ্তন আহিছে। এই পৰিৱৰ্তনৰ প্ৰভাৱ ভাষাতো পৰিছে। আইতনসকল দ্বিভাষী। তেওঁলোকে নিজৰ মাজত আইতন ভাষা আৰু অনা-আইতনলোকৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ অসমীয়া ভাষা ব্যৱহাৰ কৰে। দ্বিভাষী হোৱাৰ ফলত তেওঁলোকৰ আইতন ভাষাত যথেষ্ট অসমীয়া শব্দ সোমাই পৰিছে। বৰ্তমান সময়ত নৱ-প্ৰজন্মই অসমীয়া ভাষাৰ প্ৰয়োগৰ বাহিৰেও হিন্দী আৰু ইংৰাজী ভাষাৰ শব্দ ব্যৱহাৰ কৰিবলৈ লৈছে। ইয়াৰ ফলত আইতন ভাষাৰ বহু শব্দ হেৰাই যোৱাৰ উপক্ৰম হৈছে।

**০.২ অধ্যয়নৰ লক্ষ্যঃ**

'আইতন ভাষাৰ শব্দাৱলী ঃ সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন' - গৱেষণা বিষয়ৰ মূল লক্ষ্যসমূহ হ'ল -

ক) সামাজিক সাংস্কৃতিক পৰিপ্ৰেক্ষিতত আইতন ভাষাৰ শব্দাৱলীৰ ব্যৱহাৰ সম্পৰ্কে অধ্যয়ন কৰা।

খ) সমাজৰ পৰম্পৰাগত আৰু পৰিৱৰ্তিত জীৱন নিৰ্বাহ পদ্ধতিৰ পৰিপ্ৰেক্ষিতত আইতন ভাষাৰ শব্দাৱলী অধ্যয়ন কৰা।

গ) কেনেধৰণৰ ভাষিক-সামাজিক পৰিৱেশ পৰিস্থিতিয়ে আইতন ভাষাৰ শব্দাৱলীলৈ পৰিৱৰ্তন আনিছে সেই সম্পৰ্কে অধ্যয়ন কৰা।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

ক) আইতন ভাষাৰ শব্দাৱলীৰ সমাজতাত্ত্বিক অধ্যয়নৰ জৰিয়তে ভাষাটোৰ শব্দ ভাণ্ডাৰ কিমান সমৃদ্ধিশালী তাৰ পৰিচয় পোৱাত সহায় হ'ব।

খ) বিষয়টো গৱেষণাৰ মাজেদি ভাষাটোৰ শব্দ ভাণ্ডাৰ মাজত থকা বিশেষত্বসমূহ স্পষ্ট হ'ব।

গ) ভাষিক সংখ্যালঘু আইতনসকলৰ শব্দসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত অৰিহণা যোগাব।

ঘ) গোলাঘাট জিলাত বসবাস কৰা আইতনসকলৰ আশে-পাশে বহু অনা-আইতনলোকে বসবাস কৰে। ফলত আইতন ভাষাৰ শব্দাৱলীলৈ যথেষ্ট পৰিৱৰ্তন আহিছে। সেয়ে এই অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে।

**০.৪ অধ্যয়নৰ পৰিসৰ ঃ**

'আইতন ভাষাৰ শব্দাৱলীঃ সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন' - শীৰ্ষক বিষয়টোত কেৱল গোলাঘাট জিলাত বসবাস কৰা আইতনসকলৰ মাজত প্ৰচলিত শব্দাৱলীৰ বিষয়েহে অধ্যয়ন কৰা হৈছে। গৱেষণাৰ বিষয়টো অধ্যয়নৰ কাৰণে পাঁচটা অধ্যায়ত ভাগ কৰি লোৱা হৈছে।

প্ৰথম অধ্যায়ত, আইতন জনগোষ্ঠীৰ পৰিচয় সম্পৰ্কে আলোচনা কৰা হৈছে। আইতনসকলৰ পৰিচয়ত তেওঁলোকৰ বসতি প্ৰধান অঞ্চল, বৰ্তমান বসতি প্ৰধান অঞ্চলৰ মানচিত্ৰ, আইতন ভাষাৰ মূল, জনসংখ্যা, লিপিৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়ত, আইতন ভাষাৰ শব্দাৱলীৰ শ্ৰেণীবিভাজন কৰা হৈছে।

তৃতীয় অধ্যায়ত, আইতনসকলৰ সমাজ ব্যৱস্থাৰ লগত জড়িত শব্দাৱলীৰ বিষয়ে আলোচনা কৰা হৈছে। সম্বন্ধবাচক শব্দ, বিবাহৰ লগত জড়িত শব্দ, শাসন ব্যৱস্থাৰ লগত জড়িত শব্দ আৰু নিষিদ্ধ শব্দাৱলীৰ বিষয়ে এই অধ্যায়ত আলোচনা কৰা হৈছে।

চতুৰ্থ অধ্যায়ত, ভৌতিক আৰু অভৌতিক বিষয়ৰ লগত জড়িত শব্দাৱলীৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়ত, আইতন ভাষাৰ শব্দাৱলীলৈ অহা পৰিৱৰ্তনৰ কাৰক আৰু অনা-আইতন ভাষাৰ প্ৰভাৱ সম্পৰ্কে অধ্যয়ন কৰা হৈছে।

**০.৫ তথ্য আহৰণৰ উৎস ঃ**

গৱেষণাৰ কাৰণে প্ৰয়োজন হোৱা তথ্যসমূহ দুটা উৎসৰ পৰা সংগ্ৰহ কৰা হৈছে -

ক) মুখ্য উৎস

খ) গৌণ উৎস

আইতন ভাষাৰ শব্দাৱলী সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে মুখ্য উৎস স্বৰূপে ক্ষেত্ৰ অধ্যয়নৰ পৰা সমল সংগ্ৰহ কৰা হৈছে। গৌণ উৎস হিচাপে তথ্য আহৰণ কৰোঁতে গৱেষণা বিষয়ৰ লগত সম্পৰ্কযুক্ত প্ৰবন্ধ আৰু গৱেষণা গ্ৰন্থৰ সহায় লোৱা হৈছে।

**০.৬ অধ্যয়নৰ পদ্ধতি**

আইতন ভাষাৰ শব্দাৱলী ঃ সমাজ ভাষাবৈজ্ঞানিক অধ্যয়ন - শীৰ্ষক বিষয়টো বিশ্লেষণৰ কাৰণে তিনিটা পদ্ধতিৰ সহায় লোৱা হৈছে -

ক) বিশ্লেষণাত্মক পদ্ধতি

খ) পৰিসাংখ্যিক পদ্ধতি

গ) বৰ্ণনাত্মক পদ্ধতি

**০.৭ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ**

'আইতন ভাষাৰ শব্দাৱলী ঃ সমাজ- ভাষাবৈজ্ঞানিক অধ্যয়ন' - এই বিষয়ত ইতিপূৰ্বে গৱেষণা কৰ্ম সম্পন্ন হোৱা নাই। কিন্তু আইতন ভাষাৰ বিষয়ে বৰ্তমানলৈকে দুখন গৱেষণা গ্ৰন্থ পোৱা গৈছে। এখন হ'ল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত দাখিল কৰা 'টুৰুং আৰু আইতন ভাষাৰ ৰূপতত্ত্বঃ বৈপৰীত্যমূলক অধ্যয়ন।' এই গৱেষণা গ্ৰন্থখনৰ গৱেষক হ'ল নৱমী গগৈ। গৱেষণা গ্ৰন্থখনত টুৰুং ভাষাৰ লগত আইতন ভাষাৰ বিশেষ্য, বিশেষণ, সৰ্বনাম, অব্যয় আৰু ক্ৰিয়াপদৰ তুলনা কৰিছে। আনখন গৱেষণা গ্ৰন্থ হ'ল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত ভাস্কৰজিৎ বৰাই দাখিল কৰা 'টাই আইতন ভাষাঃ এটি অধ্যয়ন।' এই গৱেষণা গ্ৰন্থখনত টাই আইতন ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ বিষয়ে আলোচনা কৰিছে।

ভীমকান্ত বৰুৱাই 'অসমৰ ভাষা' গ্ৰন্থখনত আইতন ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্বৰ লগতে আইতন ভাষাৰ শব্দাৱলীৰ এখন তালিকা সংযোগ কৰিছে। উপেন ৰাভা হাকাচামে 'অসমীয়া আৰু অসমৰ ভাষা উপভাষা' নামৰ গ্ৰন্থখনত আনকেইটা টাইমূলীয় ভাষাৰ লগতে আইতন ভাষাৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ বিষয়ে আলোচনা কৰিছে।

আনহাতে শব্দৰ সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়নৰ দিশত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত দুখন গৱেষণা গ্ৰন্থ সম্পন্ন হৈছে। গৱেষণা গ্ৰন্থ দুখন হ'ল নয়না বুঢ়াগোহাঁইৰ 'চিংফৌ সমাজত প্ৰচলিত শব্দাৱলীঃ সমাজ- ভাষাবৈজ্ঞানিক অধ্যয়ন' আৰু অমৰজ্যোতি দলেৰ 'মিচিং আৰু দেউৰী ভাষাৰ শব্দাৱলীঃ এক সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন।'

**০.৮ প্ৰাক্ কল্পনা ঃ**

ক) অসমীয়া আৰু আইতনসকলৰ সামাজিক, সাংস্কৃতিক বিনিময় আৰু সমাহৰণ প্ৰক্ৰিয়াৰ ফলত আইতন ভাষাৰ শব্দত প্ৰভাৱ পৰিছে।

খ) সুৰ অনুসৰি একেটা শব্দই বেলেগ বেলেগ অৰ্থ প্ৰদান কৰে।

গ) বিশ্বায়ন আৰু বিজ্ঞান প্ৰযুক্তিৰ উন্নয়নৰ ফলত আইতন ভাষালৈ নতুন-নতুন শব্দৰ

আগমন ঘটিছে।

**০.৯ গৱেষণাৰ সমস্যাঃ**

ক) আইতন ভাষাত লিখিত সাহিত্যৰ অভাৱ। লিখিত সাহিত্যৰ অভাৱত গৱেষণাত সমস্যা হয়।

খ) আইতনসকল ভাষিক সংখ্যালঘু। গোলাঘাট আৰু কাৰ্বিআংলং জিলাৰ কেইখনমান গাঁৱতহে আইতনসকলক পোৱা যায়।

গ) নৱ-প্ৰজন্মই আইতন ভাষাৰ সমান্তৰালভাৱে অসমীয়া, হিন্দী, ইংৰাজী ভাষাৰ শব্দ ব্যৱহাৰ কৰাৰ ফলত আইতন ভাষাৰ বহু শব্দ হেৰাই যোৱাৰ উপক্ৰম হৈছে।

ঘ) আইতন ভাষা সুৰীয়া ভাষা, সেইবাবে এই ভাষাৰ এটা শব্দই কেইবাটাও অৰ্থ প্ৰকাশ কৰিব পাৰে, ফলত অনা-আইতনসকলৰ শব্দ আহৰণত আৰু গৱেষণাত কিছু অসুবিধা হয়।